
# তৰুণ ৰাম ফুকন

চন্দনা হীৰা



"পৰৰ দুখ পতিয়াবলৈ শিকা, নিজৰ দুখ উৰলি যাব কেৱল মনতে ৰিজনি কৰিবা। তোমাৰ এশ টকা লোকচান হৈছে, হেজাৰ টকা লোকচান হোৱাজনৰ কথা ভাবা। তোমাৰ এশ দুখ পাতলিব। তোমাৰ এজন পুতেৰা মাৰিছে, নিৰ্ব্বংশ হোৱাজনৰ কথা ভাবা, তোমাৰ শোক লঘু হ'ব।"
উক্ত কথাষাৰৰ বক্তা গৰাকী হ'ল, আমাৰ সকলোৰে পৰিচিত স্বদেশ হিতৈষী, ত্যাগী বীৰপুৰুষ দেশভক্ত তৰুণ ৰাম ফুকন। অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা ব্যক্তিসকলৰ ভিতৰত তৰুণ ৰাম ফুকন অন্যতম। অসমত ওপজা ,অসম তথা ভাৰতৰ হৈ জীৱন আহুতি দি জনম সাৰ্থক কৰা স্বাধীনতা আন্দোলনৰ অলেখ সেনানীৰ ভিতৰত তৰুণৰাম ফুকনৰ নাম উল্লেখনীয়। এই গৰাকী পুৰোধা অসম সন্তান আজিও 'মুকুট বিহীন সম্রাট'ৰূপে পৰিচিত। তেওঁ একেধাৰে ৰাজনীতিবিদ, সাহিত্যিক, আইনজ্ঞ আৰু এজন ভাল চিকাৰীও আছিল। নিজৰ অসাধাৰণ ব্যক্তিত্বৰ কাৰণে তেওঁ 'দেশভক্ত' উপাধি লাভ কৰিছিল। সঁচাকৈয়ে তেওঁ দেশৰ কাৰণে নিজৰ অৰ্থ, স্বাৰ্থ, পদমৰ্যাদা পৰ্যন্ত ত্যাগ কৰি আপোন মতবাদত স্থিৰ হিচাপে লাগি স্বদেশ স্বজাতিৰ যি মহৎ উপাদান কৰি গ'ল, স্বাধীনতা বিপ্লৱৰ কাঁইটীয়া আঁচোৰ খাই জীৱনত যি গোলাপ ফুল ফুলালে আৰু যৰ সুবাসে তেওঁক মৃত্যুৰ পিছতো চিৰ সুবাসিত কৰি ৰাখিলে, সেয়া প্ৰতি গৰাকী অসমবাসীৰে স্মৰ্তব্য। এনে এগৰাকী ব্যক্তিৰ পবিত্ৰ আদৰ্শ আগত ৰাখি দেশৰ কামত আগবাঢ়ি যোৱাটো আমাৰ প্ৰত্যেক গৰাকী নাগৰিকৰে কৰ্তব্য। সঁচাকৈয়ে তৰুণ ৰাম ফুকন যেন ডেকা চামৰ বাবে চিৰ তৰুণ, চিৰ নবীন আৰু পূব আকাশত দেখা দিয়া অন স্তমিত জীৱন্ত তৰুণ। তেওঁৰ আদৰ্শ ডেকা চামৰ বাবে সঁচাই অনুমেয়।

## জন্ম আৰু বংশ পৰিচয়

দেশভক্ত ফুকনৰ জন্ম হৈছিল ১৮৭৭ চনৰ ২২ জানুৱাৰীত। অসমীয়া মতে ১৭৯৯ শকৰ ৮ মাঘত, তেখেতৰ জন্মস্থান— গুৱাহাটীৰ ভৰলুমুখ। তেওঁৰ পিতৃৰ নাম আছিল বলোৰাম খাৰঘৰীয়া আৰু মাতৃৰ নাম আছিল ভাগীৰথী দেৱী। তৰুণ ৰাম ফুকনৰ ছজন ককাই-ভনী আছিল। তাৰ ভিতৰত তৰুণ ৰাম ফুকন আটাইতকৈ সৰু আছিল। তেওঁৰ ককাকৰ নাম আছিল যজ্ঞোৰাম। 'খাৰঘৰীয়া' উপাধিটো তেওঁলোকে উপৰি পুৰুষৰ পৰা পোৱা আছিল। তেওঁলোকৰ উপৰি পুৰুষসকল আহোম বংশধৰ। আহোমসকলৰ ৰাজত্বকালত খাৰঘৰীয়া ফুকন এগৰাকী উচ্চ পদবীৰ সামৰিক বিষয়া আছিল। আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালত যিসকল লোকে যুদ্ধৰ খাৰ-বাৰুদ তৈয়াৰ কৰিছিল বা যোগান ধৰিছিল তেওঁ লোকক এই উপাধি দিয়া হৈছিল। এই খাৰঘৰীয়া বংশতে তৰুণ ৰাম ফুকনৰ জন্ম হৈছিল। কিন্তু কালক্ৰমত তেওঁলোকৰ বংশৰ নামবোৰৰ পৰা খাৰঘৰীয়া উপাধিটো নাইকিয়া হৈছিল। ইয়াৰ কাৰণ হয়তো উত্তৰ পুৰুষৰ উপাধিটো চমু কৰিবৰ মানসিক প্ৰৱণতা বা নিলিখিলেও

চলিব বুলি ভবা মনোভাৱৰ পোষকতা। এই উপাধিয়ে ইয়াকে বহন কৰে যে ফুকনৰ উপৰি পুৰুষসকল আহোম স্বৰ্গদেউসকলৰ প্ৰিয়পাত্ৰ আছিল। ইয়ে তেওঁলোকৰ বংশ পৰম্পৰাৰ এক গৌৰবোজ্জ্বল ইতিহাস বহন কৰে।

তৰুণৰাম ফুকনৰ পিতৃ এগৰাকী সুদক্ষ চিকাৰী আছিল। সংগীততো তেওঁৰ অধিক ৰাপ আছিল। ধৰ্ম আৰু শিক্ষাৰ প্ৰসাৰ আৰু সমাজ সংস্কাৰৰ প্ৰতি ধাউতি আছিল প্ৰবল। চিকাৰলৈ গৈ হাতী-ম'হ আদি মৰাটো আছিল তেওঁৰ নিচা। চিকাৰৰ বাবে বিশ-পঁচিশটা হাতী তেওঁলোকৰ ঘৰতেই আছিল। মুঠতে তেওঁলোকৰ ঘৰখন আঢ্যৱন্ত আছিল। তেতিয়াৰ দিনত কাৰোবাৰ ঘৰত হাতী থকাতো মহা-আঢ্যৱন্তৰ চিন আছিল। ই যেন এক ৰাজকীয় চিন। এখন আঢ্যৱন্ত ঘৰৰ সন্তান হিচাপে সৰুৰে পৰাই তৰুণৰাম ফুকন আটোল-টোলতেই ডাঙৰ-দীঘল হৈছিল। চৌপাশৰ সুন্দৰ নিকা পৰিৱেশ, চাফ-চিকুণ পিন্ধন-উৰণ, সুন্দৰ ভোজন, মধুৰ আলাপন আদিৰ মাজেদিয়েই তৰুণৰাম ফুকনৰ জীৱন আগবাঢ়িছিল।

## শিক্ষা

পিতৃৰ তত্ত্বাৱধানত নিজ গৃহতেই তেওঁ প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। ঘৰতেই তেওঁ শিক্ষক আৰু অধ্যাপকৰ জৰিয়তে সংস্কৃত শিক্ষা গ্ৰহণ কৰিছিল। শিশু অৱস্থাতে তেওঁ পিতৃ-মাতৃ তথা ককায়েক বায়েকৰ পৰা গীত-মাত, শ্লোক, পদ-পয়াৰ আদি শুনি শুনি নিজেও মুখস্থ মাতিছিল আৰু ধুনীয়াকৈ আবৃত্তি কৰিছিল। তেওঁৰ হাতৰ আখৰও খুব ধুনীয়া আছিল।

গুৱাহাটীতেই ফুকন ডাঙৰীয়াই আনুস্থানিক শিক্ষা আৰম্ভ কৰে। ১৮৯৫ চনত তেওঁ স্থানীয় কটন কলেজিয়েট হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তেওঁ এগৰাকী মেধাৱী ছাত্ৰ আছিল। ইংৰাজী বিষয়ত তেওঁৰ দখল আছিল। তেওঁ ইংৰাজী খৰ খৰকৈ ক'ব পাৰিছিল। সুন্দৰকৈ কথা ক'ব পৰা ক্ষমতাৰ বাবেই বহু ঠাইত তেওঁ আকৰ্ষণৰ পাত্ৰ হৈ পৰিছিল। তেওঁৰ এই পাৰদৰ্শিতা দেখি ছাৰ চাদ্দুলা চাহাবে লিখিছিল, "ছাত্ৰাৱস্থাত তৰুণ ৰাম ফুকনে এদিনাখন কটন কলেজিয়েট স্কুলত বঁটা-বিতৰণী সভাত ইংৰাজীত এনে সুন্দৰ বক্তৃতা দিছিল যে তাৰ পৰা ফুকন যে এজন আগলৈ বাগ্মীপুৰুষ হ'ব তাক সুন্দৰকৈ বুজিব পৰা গৈছিল।" তেওঁৰ মেধা শক্তি দেখি লিখক জগন্নাথ বৰুৱাইও এইদৰে কৈছিল, "শ্ৰীযুত তৰুণ ৰাম ফুকন তেতিয়া প্ৰেচিডেন্সি কলেজৰ এফ.এ. দ্বিতীয় বাৰ্ষিকত, মই তেতিয়া ছেন্ট জেভিয়াৰ কলেজত পঢ়ো। তেখেতৰ ইংৰাজীত ইমান দখল আছিল যে তেতিয়া তেখেতে মোক ইংৰাজী সাহিত্য বুজাই দিছিল।"

প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ তৰুণ ৰাম ফুকনে দহটকীয়া জলপানি লৈ কলিকতাৰ প্ৰেচিডেন্সি কলেজত এফ.এ. পঢ়িবলৈ যায় আৰু কলা শাখাত নামভৰ্তি কৰে। সেই সময়ত নিয়ম আছিল যে প্ৰথম বিভাগ পালে বিশ টকা, দ্বিতীয় বিভাগ পালে পোন্ধৰ টকা আৰু তৃতীয় বিভাগত পাছ কৰিলে দহ টকা মাহিলি জলপানি দিয়া হৈছিল। ১৮৯৭ চনত তেওঁ এফ.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক মহলাত নাম ভৰ্তি কৰে। স্নাতক ডিগ্ৰী আধৰুৱা কৰি তেওঁ বেৰিষ্টাৰ বা ওকালতি পঢ়িবলৈ লণ্ডনলৈ যায় (তেতিয়াৰ দিনত স্নাতক ডিগ্ৰী পাছ নকৰিলেও ওকালতি পঢ়িব পাৰিছিল)। বেৰিষ্টাৰী পঢ়ি থকাৰ সময়তে তেওঁ লণ্ডনত জ্ঞানদাভিৰাম বৰুৱাৰ সৈতে বন্ধুত্ব কৰিছিল। তেওঁৰ সৈতে লণ্ডনৰ বিভিন্ন ঠাই ঘূৰি-ফুৰি পশ্চিমীয়া সংস্কৃতিৰ বুজ ল'ব পাৰিছিল। বিশেষভাৱে বিলাতৰ লোকসকলৰ বা ইংৰাজ চাহাবসকলৰ চাল-চলন, বেশ-ভূষা, আচাৰ-ব্যৱহাৰ, স্বাস্থ্যৰ প্ৰতি থকা সচেতনতা, দায়িত্ব-কৰ্তব্যবোধ, পৰিস্কাৰ-পৰিচ্ছন্নতা, নিয়মানুবৰ্তিতা, দেশপ্ৰেম আদি দিশবোৰ তেওঁলোকে চালি-জাৰি চাই নিজেও আয়ত্ত কৰিবলৈ বিচাৰিছিল। তেওঁ যিকোনো কামেই অতি সহজতে আয়ত্ত কৰিব পাৰিছিল। আমি তেওঁৰ সৈতে হোৱা এটি সৰু ঘটনাৰ সহায়ত এই কথা বুজিব পাৰো।

তেওঁ লণ্ডনত পঢ়ি থকা সময়তেই এবাৰ 'ছেণ্ডো' নামৰ এজন ব্যায়ামবিদৰ প্ৰতি আকৰ্ষিত হৈছিল। ব্যায়ামবিদজনে অনেক দুঃসাহসিক কলা-কৌশল প্ৰদৰ্শন কৰি ফুৰিছিল আৰু তেওঁ আনৰ পৰা প্ৰশংসাও লাভ কৰিছিল। তেওঁ দুই-তিনি যোৰমান তাচপাত একেলগ কৰি একে মুঠাতে অতি সহজে ফালি পেলাব পাৰিছিল। তৰুণ ৰাম ফুকনেও এযোৰ তাচপাত অনায়াসে ফালি পেলাই নিজৰ শক্তিৰ পৰিচয় দিছিল। ১৯০৫ চনত সুখ্যাতিৰে বেৰিষ্টাৰ পাছ কৰি লণ্ডনৰ পৰা নিজ মাতৃভূমিলৈ উভতি আহে আৰু কলিকতাত তেওঁ ওকালতি আৰম্ভ কৰে। বিলাতৰ পৰা বেৰিষ্টাৰী পাছ কৰি বেৰিষ্টাৰ হোৱা তেওঁ হ'ল তৃতীয় গৰাকী অসমীয়া ব্যক্তি।

## সাংসাৰিক জীৱন

কলিকতাত ওকালতি কৰি থকা সময়তেই বহুতো প্ৰতিপত্তিশীল ব্যক্তিৰ লগত তেওঁৰ চিনাকি হৈছিল। অনেক উচ্চ পৰিয়ালে তেওঁলৈ ছোৱালী বিয়া দি তেওঁৰ সৈতে বৈবাহিক সম্বন্ধ স্থাপন কৰিব বিচাৰিছিল। আনকি কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰেও তেওঁৰ কনিষ্ঠা কন্যাক তেওঁলৈ বিয়া দিব বিচাৰিছিল। তাৰোপৰি লৰ্ড সত্যন্দ্ৰ প্ৰসন্ন সিংহয়ো তেওঁৰ কন্যাক বিয়া দিব বিচাৰিছিল। কিন্তু দেশভক্ত ফুকনে অতি বিনম্ৰভাৱে তেওঁলোকৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিছিল। কিয়নো অসমৰ ঐতিহ্য পৰম্পৰা আৰু অসমীয়া গাভৰুৰ প্ৰতি আছিল তেওঁৰ এক দায়বদ্ধতা। বৈবাহিক সম্বন্ধ কেৱল অসমীয়া পৰিয়ালৰ সৈতেহে তেওঁ স্থাপন কৰিব বিচাৰিছিল। তেওঁ সৰুৰে পৰা জাতীয়তাবাদী মনোভাৱৰ আছিল। অসম আৰু অসমীয়াৰ প্ৰতি তেওঁৰ অগাধ ভালপোৱা আছিল। তাৰ বাবে বিদেশত থাকিও তেওঁ তেওঁৰ চিন্তাধাৰা বিদেশী হ'ব দিয়া নাছিল। সেই অনুসৰিয়েই তেওঁ ডিব্ৰুগড় নিবাসী পৰশুৰাম খাউণ্ডৰ তৃতীয় কন্যা বিদ্যুৎ প্ৰভা দেৱীক ১৯০৯ চনৰ ১৬ জুনত বৈদিক প্ৰথাৰে বিয়া পাতে। বিদ্যুৎ প্ৰভাৰ ঘৰত মতা নাম আছিল 'বিজুলী'।

তেওঁৰ সাংসাৰিক জীৱন অতি মধুৰ আছিল। পত্নীক তেওঁ গভীৰভাৱে ভাল পাইছিল। এগৰাকী নাৰীৰ পাব লগা অধিকাৰখিনিৰ পৰা তেওঁ পত্নীক কেতিয়াও বঞ্চিত কৰা নাছিল। নাৰীৰ স্বাধীনতাক তেওঁ সন্মান আৰু গুৰুত্ব দিছিল। তেওঁ পত্নীৰ প্ৰতি থকা ভালপোৱাক পত্নীৰ ফটোত তলত নিজ হাতেৰে এইদৰে লিখি দেখুৱাইছিল—

'মোৰ সপোনৰ, সজাগৰ
মোহিনী মুৰতি
নিৰাশাৰ ডাৱৰৰ বিজুলী
জেউতি।'

বিদ্যুৎ প্ৰভাও আছিল এগৰাকী আদৰ্শ সুগৃহিনী। তেওঁ স্বামীক যিকোনো প্ৰকাৰে সুখ-স্বাচ্ছন্দত ৰাখিব বিচাৰিছিল। কালক্ৰমত ফুকন

দম্পতীয়ে লাভ কৰে দুগৰাকী পুত্ৰ আৰু দুগৰাকী কন্যা। কন্যা দুগৰাকী ক্ৰমে প্ৰতিভা দেৱী আৰু ৰেণু দেৱী আৰু পুত্ৰ দুগৰাকী হ'ল— বলেন্দ্ৰ ৰাম ফুকন আৰু নৃপেন্দ্ৰ ৰাম ফুকন। প্ৰথম গৰাকী কন্যাক দেশপ্ৰাণ লক্ষীধৰ শৰ্মালৈ বিয়া দিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ তেওঁ ক্ষয় ৰোগত আক্ৰান্ত হৈ অকালতে মৃত্যুক সাবটি ল'ব লগা হয়। কিছুদিন পিছতে জোঁৱায়েক লক্ষীধৰো ক্ষয় ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। ইয়াৰ কিছুদিন পিছত তেওঁৰ পত্নীয়েও এই ৰোগত অকাল মৃত্যুক সাবটি ল'ব লগা। এই তিনিটাকৈ বিয়োগৰ দুখত তৰুণ ৰাম ফুকন বৰ বিধ্বস্ত হৈছিল যদিও সেই সকলো "ভগৱানৰ লীলা-খেল"'বুলি তেওঁ শান্ত্বনা লভিছিল। তাৰে কিছুদিন পাছত তেওঁৰ পৰিয়ালৰ ককায়েক এজনৰো অকাল মৃত্যু ঘটিছিল যাক তেওঁ অতিশ্ৰদ্ধা কৰিছিল আৰু তাৰ উপদেশ সততে মানি চলিছিল। সেই গৰাকী ককায়েকৰ মৃত্যু হোৱাত তেওঁ পৰম দুখত ভাগি পৰিছিল। কিন্তু তেওঁ মনোবল কেতিয়াও হেৰুওৱা নাছিল। সাংসাৰিক মায়াৰ বন্ধনে তেওঁক ক্ষন্তেকৰ বাবে দুখ দিছিল যদিও সেই দুখে তেওঁক চিৰদিনৰ বাবে হতাশ কৰিব পৰা নাছিল। তেওঁ প্ৰকৃততে স্থিতপ্ৰজ্ঞ স্বভাৱৰ আছিল।

## কৰ্মময় জীৱন

তৰুণ ৰাম ফুকনৰ 'কৰ্মই আছিল জীৱনৰ মূল ধৰ্ম'। সংসাৰী হোৱাৰ পাছত ফুকনে কলিকতাৰ পৰা ওকালতি এৰি আহি গুৱাহাটীৰ নিজা ঘৰত থাকি গুৱাহাটীৰ আদালতত ওকালতি কৰিবলৈ আৰম্ভ কৰে আৰু গোটেই অসমৰে কঠিন কঠিন মোকৰ্দমাবোৰত জয় লাভ কৰি অসমবাসীৰ আদৰ আৰু শ্ৰদ্ধাৰ পাত্ৰ হ'বলৈ সমৰ্থ হৈছিল। তেওঁ ১৯১৪ চনৰ পৰা ১৯২১ চনৰ জুনলৈ গুৱাহাটীৰ আইন মহাবিদ্যালয়ত (আৰ্ল ল' কলেজ, গুৱাহাটী) অধ্যাপক হিচাপে আইনৰ পাঠদান কৰিছিল। 'জুৰিছপ্ৰুডেনস আৰু ইকুইটিক্স বিষয় তেওঁ ছাত্ৰ-ছাত্ৰী-সকলক পঢ়ুৱাইছিল। আইনৰ দৰে জটিল বিষয় এটাক তেওঁ খুহুটীয়া আৰু ৰসাল কথাৰে ছাত্ৰ-ছাত্ৰীক বুজাব পাৰিছিল।

তৰুণ ৰাম ফুকন কেইবাবাৰো গোৱালপাৰা মিউনিচিপালিটি আৰু গুৱাহাটী লোকেল বোৰ্ডৰ চেয়াৰমেন হৈছিল। সেই পদবীত থাকিও তেওঁ জনসাধাৰণৰ লগত সদ্ভাৱ বজাই ৰাখিছিল আৰু সাধাৰণ লোকসকলৰ দাবীসমূহ পূৰ্ণ কৰাত মনোনিৱেশ কৰিছিল। তেওঁ সোণাৰাম হাইস্কুলৰ মেনেজিং কমিটিৰ সভাপতি, অসম কাউন্সিলৰ সদস্য, ভাৰত-গৱৰ্ণৰ জেনেৰেল ৰাজসভাত কংগ্ৰেছ বৰ্জনৰ আগলৈকে প্ৰতিনিধি, অসম সাহিত্য সভাৰ দশম অধিৱেশনৰ সভাপতি, অসম ছাত্ৰ সন্মিলনীৰ তেজপুৰ আৰু শিৱসাগৰ সমাৰোহৰ সভাপতি আছিল। ছাত্ৰ, যুৱক বা বৃদ্ধৰ যাৰেই অনুষ্ঠান নহওক নিমন্ত্ৰণ পালেই কোনো ধৰণৰ অসুবিধা নেদেখুৱাকৈয়ে তেওঁ সভাত উপস্থিত হৈছিল। উল্লেখযোগ্য যে তেওঁ মণ্টেগু চেমচ ফোৰ্ড ডেপুটেচনক্টৰ এজন সদস্যও আছিল। তাৰোপৰি ৰাজনীতি, সাহিত্য, চিকাৰ আদি সকলো দিশতে কৰ্মজীৱনৰ পৰিচয় দি আহিছে।

তৰুণ ৰাম ফুকন সঁচাকৈয়ে তৰুণ আছিল। তেওঁ দৈনন্দিন জীৱনৰ সকলো কামতে নিজৰ কাৰ্যদক্ষতাৰ পৰিচয় দিব পাৰিছিল। তেওঁৰ কাৰ্যদক্ষতাৰে বাবেই সকলো টান কাম আৰু জটিল সমস্যা সহজ হৈ পৰিছিল। গোপীনাথ বৰদলৈয়ে তৰুণ ৰাম ফুকনৰ প্ৰসংগত এইদৰে কৈছিল, য'ত ফুকনৰ উপস্থিতি বা যি ডোখৰ ঠাইত ফুকন থাকিব তাত নিৰানন্দ থাকিব নোৱাৰে, নৈৰাশ্যৰ ভাব আহিব নোৱাৰে, অসজ বা অন্যায় কথা আলোচনা হ'ব নোৱাৰে। মুঠতে তেওঁ সকলো কৰ্মতে পটু আছিল।

## ৰাজনৈতিক জীৱন

দেশভক্ত তৰুণ ৰাম ফুকনে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ সহযোগিতাত অসহযোগ আন্দোলনত যোগদানেৰে ৰাজনৈতিক জীৱনৰ পাতনি মেলে। পৰৱৰ্তী সময়ত তেওঁ কংগ্ৰেছত যোগদান কৰে। কংগ্ৰেছত যোগদান কৰাৰ আগৰে পৰাই তেওঁ ১৯১৮ চনৰ বৰপেটাত বহা অসম এছ'চিয়েচনৰ বাৰ্ষিক অধিবেশনৰ সভাপতি আৰু কংগ্ৰেছত যোগদান কৰাৰ আগৰ পৰাই 'অসম এছ'চিয়েচন'ৰ লগত একেৰৰ কাৰণে তেওঁ সম্পাদকও আছিল। সেই সময়ত সাহস আৰু স্পষ্টবাদীতাৰে তেওঁ ডেকাদলৰ মন জয় কৰিব পাৰিছিল। ৰাজনৈতিক ক্ষেত্ৰত থকা লোক সকলে তেওঁক কৰ্মদক্ষতাৰ বাবে শলাগিছিল। ৰাজনীতিৰ পথাৰখনত তেওঁ সকলো দিশৰ পৰা পাৰ্গত আছিল। ১৯২১ চনৰ জুলাই মাহত তেওঁ অসহযোগ আন্দোলনত সক্ৰিয়ভাৱে লাগি পৰে। ১৯২১ চনৰ জুন মাহত তেওঁ বোম্বাইত এতিয়াৰ মুম্বাই বহা 'নিখিল ভাৰত কংগ্ৰেছ কমিটি'ৰ সভাত যোগদান কৰিছিল। তাতেই তেওঁ মহাত্মা গান্ধীৰ লগত সাক্ষাৎ হয় আৰু অসমলৈ তেওঁক নিমন্ত্ৰণ কৰি আহে। ১৯২১ চনৰ আগষ্ট মাহত মহাত্মা গান্ধী অসম ভ্ৰমণ কৰিবলৈ অহাত ফুকনে মধুৰ আপ্যায়নেৰে তেওঁক নিজৰ ঘৰতে আপ্যায়ন কৰি নিজেও ধন্য হৈছিল। আৰু গান্ধীজীৰ আদৰ্শ গ্ৰহণ কৰাৰ সুযোগ পাইছিল। মহাত্মা গান্ধীয়ে গুৱাহাটীৰ সভাত সদৌ অসমবাসীৰ বিদেশী বস্ত্ৰ বৰ্জন কৰি, যঁতৰত সূতা কাটি নিজৰ প্ৰয়োজনীয় কাপোৰখিনি নিজে বৈ লৈ স্বাৱলম্বীতাৰ পৰিচয় দিবলৈ আহ্বান জনাইছিল। অসমকে ধৰি ভাৰতৰ সকলো ঠাইতে এই আন্দোলন প্ৰৱাহিত হৈছিল। বহুত লোকে তেওঁলোকৰ বহুমূলীয়া বিদেশী বস্ত্ৰ জুই জ্বলাই পুৰি পেলাইছিল। তৰুণৰাম ফুকনেও তেওঁৰ ঘৰৰ সকলো বিদেশী বস্ত্ৰ জুইত জাপি দিছিল। বিদেশী বস্ত্ৰ বিসৰ্জন আন্দোলনত ফুকনে মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। আন্দোলনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে তেওঁ অসমৰ গাঁৱে-ভূঞে চহৰে নগৰে বিভিন্ন ঠাইত ঘূৰি ফুৰি অসমৰ ৰাইজক একত্ৰিত কৰিবলৈ তেওঁ অহোপুৰুষাৰ্থ কৰিছিল।

পশ্চিম চমৰীয়া, গোৱালপাৰা, বকো, ছয়গাঁও আদি ঠাইলৈ নাৰেৰে গৈ জনসাধাৰণক সজাগ কৰি তুলিছিল। তাৰোপৰি দৰংগিৰি আদি ঠাইলৈ গৈ গাৰো, ৰাভা আদি জনজাতিৰ লোকসকলক অসহযোগ নীতি আৰু গান্ধীজীৰ বিষয়ে শিকাইছিল। ভাৰতবৰ্ষৰ কাৰণে মহাত্মা গান্ধীয়ে যেনেদৰে দায়িত্ব লৈ কৰ্তব্য পালন কৰিছিল ঠিক তেনেকৈ দেশভক্ত ফুকনেও অসমৰ কাৰণে দায়িত্ব গ্ৰহণ কৰিছিল। তেওঁ মহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ স্বৰাজ আনিব লাগিব বুলি দৃঢ়প্ৰতিজ্ঞ হৈছিল। তেওঁ হিন্দু-মুছলমানৰ মিলন, অস্পৃশ্যতা বৰ্জন, মাদক দ্ৰব্য নিবাৰণ, বিদেশী বস্ত্ৰ বৰ্জন, খদ্দৰ কাপোৰ গ্ৰহণ আদিৰ ওপৰত ভিত্তি কৰি তিনিপন্থীয়া বৰ্জন নীতি, যেনে—ব্যৱস্থাপক সভা, স্কুল-কলেজ আৰু আইন-আদালত ত্যাগ কৰা আদি কাম যুদ্ধৰ সময়ৰ কৰণীয় কাম বুলি জনসাধাৰণক সজাগ কৰিছিল। অসহযোগ আন্দোলনৰ প্ৰচাৰৰ অৰ্থত তেওঁ জনসাধাৰণক সাহসেৰে এইদৰে কৈছিল, "অলপ সংখ্যক লোকে ত্যাগ আৰু আত্মাহুতি দিবলৈ ৰাজী হ'লে অসহযোগ সম্পূৰ্ণ হ'ব পাৰে।

ইয়াৰ বাবে চৰকাৰী বিষয়াসকলে ইস্তফা দিব লাগিব। এই মহাযজ্ঞৰ আহুতিৰ বাবে মহলদাৰ, ঠিকাদাৰ আদি লোকসকলেও অসহযোগ কৰিবলৈ আগবাঢ়ি আহিবই লাগিব। তেতিয়া বৃটিছ শাসন অস্থায়ীকৈ হ'লেও অচল হৈ পৰিব আৰু আমাৰ দাবী মানিবলৈ বৃটিছ সকল বাধ্য হ'ব। মুঠতে তেওঁ বৃটিছৰ বিৰুদ্ধে উঠি পৰি লাগিছিল। ফলত ২৯২১ চনৰ ডিচেম্বৰ মাহত ফৌজদাৰী দণ্ডবিধিৰ ১০৮ ধাৰা আইন মতে ব্ৰিটিছে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। তাৰপিছত তেওঁৰ বিচাৰ হয়। বিচাৰত তেওঁক অসহযোগ আন্দোলনৰ প্ৰচাৰ নকৰোঁ বুলি জামিন ল'বলৈ দিলে, নহ'লে এবছৰৰ কাৰণে বিনাশ্ৰমে কাৰাবাস খাটিবলগীয়া হ'ব বুলি ক'লে। তেওঁ জামিন নলৈ হাঁহিমুখে এবছৰৰ কাৰণে কাৰাদণ্ড খাটিবলৈ গাত পাতি লয়।

জেলত থকা সময়ত তেওঁ এজন সংযমী যোগী পুৰুষৰ দৰে জীৱন যাপন কৰিছিল। জেলৰ পৰা ওলাই আহি তেওঁ আগতকৈ দুগুণ উৎসাহেৰে লখিমপুৰ, কামৰূপ, ছিপাঝাৰ, গোৱালপাৰা আদি ঠাইত সভা-সমিতি পাতি ব্ৰিটিছ চৰকাৰৰ লগত অসহযোগিতাৰ কথা ৰাইজক বুজাই দিছিল। তাৰোপৰি মতিলাল নেহৰু, চিত্তৰঞ্জন দাস আদি সংগ্ৰামীৰ লগত স্বৰাজ নীতি প্ৰচাৰৰ বাবে দক্ষিণ ভাৰত ভ্ৰমণ কৰিছিল। মাদ্ৰাজ, শ্ৰীলংকা আদি ঠাইত তেওঁ স্বৰাজ দলৰ গঠন আৰু কংগ্ৰেজী লোকৰ দ্বাৰা ব্যৱস্থাপক সভা দখলৰ বিষয়ে সাৰগৰ্ভ বক্তৃতা দি ফুৰিছিল। বক্তৃতাৰ ওজস্বিতা আৰু বাগ্মীতাৰ বাবেই তেওঁ মাদ্ৰাজত তেওঁৰ নাম প্ৰখ্যাত হৈ পৰিছিল। ভাৰতৰ আইন অমান্য আন্দোলনতো তেওঁ অসমত ভালেমান সাংগাঠনিক কাম কৰিছিল। মুঠতে তেওঁ এজন নিপুণ ৰাজনীতিবিদ আছিল।

## সাহিত্যিক তৰুণ ৰাম ফুকন

সাহিত্যৰ পথাৰত ফুকনৰ অৱদান অপৰিসীম। অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ বাবে অসম সাহিত্য সভাই তেখেতক ১৯২৭ চনৰ অসম সাহিত্য সভাৰ দশম গোৱালপাৰা অধিবেশনৰ সভাপতি পদৰ বাবে নিৰ্বাচিত কৰিছিল। বাংলা কবিতা আবৃত্তিৰে তেওঁ সাহিত্য জগতত প্ৰৱেশ কৰে। তেওঁ ভালেমান কিতাপ ৰচনা কৰিছিল। তেওঁৰ ৰচিত সাহিত্যৰাজিক মাইকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি। যেনে— কবিতা, চিকাৰ কাহিনী, যৌন বিষয়ক আৰু বিবিধ প্ৰবন্ধ। তেওঁৰ ৰচনাৱলীত প্ৰাঞ্জলতা, অধ্যয়নপুষ্টতা, মননশীলতা, আৰু উদাৰতাৰ ভাৱ প্ৰস্ফুটিত হোৱা দেখা যায়।

'স্তুতিমালা' তেওঁৰ একমাত্ৰ কবিতা পুথি। তেওঁ জেলত থকা সময়ছোৱাত এই স্তুতি বিষয়ক কাব্য পুথিখন ৰচনা কৰিছিল। সংস্কৃত স্তোত্ৰৰ অনুবাদ কৰি ৰচনা কৰা এই পুথিখনত তেওঁৰ মৌলিক চিন্তাধাৰাৰ পৰিচয় পোৱা যায়। তাৰোপৰি সংস্কৃত ভাষাজ্ঞানৰ পটুতাৰ পৰিচয় পাব পাৰি । এই পুথিখনত বিভিন্ন দেৱ-দেৱীৰ স্তুতিমন্ত্ৰ বৰ্ণনা কৰা হৈছে। তদুপৰি ইয়াত অন্য দুই-চাৰিটা গীতি-কবিতাও আছে। সেইবোৰ হ'ল— জাতীয় সংগীত, জীৱনৰ গীত, এপাহি ফুল, দেৱী, তোমালৈ ইত্যাদি। 'জীৱনৰ গীত' কবিতাটিত দাৰ্শনিক মনোভাৱ ফুটি উঠিলেও শিশুসকলোকো সদ উপদেশ দিয়া দেখা যায়—

"নিজক চিন্তাকো বৰ টান কাম
তাতো কৰি টান চিনাকি দিয়া।
সন্তোষে থকাটো আৰু টান কাম,
তাতো কৰি টান আনক সন্তোষ দিয়া।
সজ উপায়েৰে ধন ঘটা টান কাম।
তাতো কৰি টান সি ধন থোৱা।"

তেওঁৰ 'জাতীয় সংগীত' কবিতাটোত নিজৰ দেশৰ প্ৰতি ভালপোৱাৰ ভাৱ আৰু অতীত গৌৰৱৰ কথা এনেদৰে প্ৰকাশ পাইছে—

উপজি যি ঠাইত শংকৰ-মাধৱে
বৈষ্ণৱ ধৰ্মৰ সাজিলে জয়,
আজিও যি ধৰ্ম ভাৰত বৰষে
ভক্তি প্ৰাণত চৰণ লয়।
অনন্ত কন্দলি, ৰাম সৰস্বতী
যাৰ কীৰ্তি দিলে বিয়পি দেশ,
সেয়েহে নহ'নে আই তই অসম
সেয়েতো নহ'নে আমাৰ দেশ ?'

'স্তুতিমালা'ৰ শেষৰ ফালে তেওঁ 'নিংনি ভাৰবীয়াৰ গীত' শিৰোনামেৰে তেওঁ এটি দীঘলীয়া গীত সংযোজন কৰিছে। নিংনি এজন বৰপেটাৰ ৰসিক ভাৰবীয়া আছিল। এই গীতসমূহ স্বাধীনতা আন্দোলনত নিংনি ভাৰবীয়াই মুখে মুখে গাই ফুৰিছিল। এই গীতসমূহ হাস্যমধুৰ আছিল।

তেওঁৰ চিকাৰ কাহিনীখনৰ নাম হ'ল— 'চিকাৰ কাহিনী'। যিখন তেওঁৰ ৰচনাৰ অন্যতম সম্পদ। তেওঁ লিখা যৌনবিষয়ক পুথিখন হ'ল- 'যৌনতত্ত্ব'। বিবিধ প্ৰবন্ধৰ ভিতৰত তেওঁ সময়ে সময়ে লিখা বিভিন্ন বিষয়ৰ প্ৰবন্ধ আৰু ভিন ভিন ঠাইত দিয়া বিবিধ বিষয়ক ভাষণাৱলীক সামৰিব পাৰি। তেতিয়াৰ প্ৰচলিত 'আৱাহন' কাকতত তেওঁ মাজেসময়ে প্ৰবন্ধ-পাতি লিখিছিল। তেখেতৰ হাতী চিকাৰ বিষয়ক প্ৰবন্ধকেইটিয়ে ভ্ৰমণ কাহিনীৰ সোৱাদ দিব পাৰে, যি সৰু ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধলৈকে সকলোকে আকৰ্ষণ কৰে আৰু দুই-তিনিবাৰ পঢ়িলেও আকৌ এবাৰ পঢ়াৰ মানসিকতা বৈ যায়। কথা-সাহিত্যৰ ক্ষেত্ৰত এই ভ্ৰমণ কাহিনীসমূহ বিশেষভাৱে উল্লেখযোগ্য।

## চিকাৰী তৰুণৰাম ফুকন

দেউতাক বলৰাম ফুকন আৰু ককায়েক নবীন ৰাম ফুকনৰ দৰে তৰুণ ৰাম ফুকনো এজন পাকৈত চিকাৰী আছিল। চিকাৰৰ বাবে বিশ-পঁচিশটা হাতী তেওঁলোকৰ ঘৰতেই আছিল। কলিকতাৰ পৰা গুৱাহাটীলৈ অহাৰ পিছত তেওঁ অকলশৰীয়া অনুভৱ কৰিছিল। সেই সময়তে তেওঁ নিসংগতা দূৰ কৰিবলৈ চিকাৰকে এক মাত্ৰ সংগী কৰি লয়। এদিন ককায়েক অফিচৰ কামত ওলাই যোৱাৰ পিছত তেওঁৰ অনুপস্থিতিৰ সুযোগ লৈ দেশভক্তই কাণ সমনীয়া সহপাঠী ভতিজাক দেবেন্দ্ৰ নাথ ফুকন আৰু আন এজন লগৰীয়াৰ সৈতে বন্দুক হাতত লৈ চিকাৰলৈ গৈছিল। তেওঁ সেইদিনা প্ৰথম বাৰেই কোকলোঙা চৰাই এটি বধ কৰিবলৈ সক্ষম হৈছিল। তেওঁ মাছ চিকাৰীও আছিল। বৰশী বোৱাত তেওঁৰ বৰ ৰাপ আছিল আৰু তাৰ বাবে বিলাসী বৰশী আনি নানান কৌশল খটুৱাই ভৰলু নৈ, দীঘলী পুখুৰী আৰু কলিকতাৰ কলেজ স্কোৱাৰত থকা পুখুৰীত মাছ ধৰিছিল। কলিকতা মহানগৰীৰ পুখুৰীত বৰশী বোৱা ফুকন আছিল প্ৰথম অসমীয়া।

ফুকনৰ চিকাৰী জীৱনৰ দুঃসাহসিক কাহিনী কিছুমানো পোৱা যায়।

তেনে এটা কাহিনী হ'ল—

গুৱাহাটী মহানগৰীৰ প্ৰায় ৯ মাইল মান দূৰত পশ্চিম দিশত দীপৰ বিল অৱস্থিত। বিলৰ কাষলৈ নগৰৰ পৰা এটি সৰু লুংলুঙীয়া গাঁৱলীয়া বাট। এই বাটেদি বিললৈ এটা দঁতাল হাতীৰ জাক নামি অহা খবৰ পাই ফুকনে দীপৰ বিললৈ হাতী চিকাৰ কৰিবলৈ যায় আৰু তাবাক নামৰ কাৰ্বি মানুহ এঘৰত কেম্প পাতে। তিনিদিন অপেক্ষা কৰিও হাতীৰ কোনো উম-ঘাম নোপোৱাত ডেপুটি কমিছনাৰৰ পৰা হাতী চিকাৰৰ বৈধ অনুমতি লৈ কেইবাদিনো বিলৰ পাৰতে হাতীৰ অপেক্ষাত ৰয়। কিন্তু হাতীৰ কোনো শুং-সূত্ৰ নাপায়। এদিন বৰষুণৰ বতৰত তেওঁলোকে পাহাৰ বগাই হাতী চিকাৰ কৰিবলৈ যায়। বাটতে তেওঁলোকৰ এহাল ভালুকৰ সন্মুখীন হয় যদিও ভালুকহালে তেওঁলোকক বাট এৰি দিয়ে। বস্তুত অপেক্ষাৰ অন্তত হাতী তেওঁলোকৰ আগত ওলাল। দঁতাল হাতী বুলি ভাবি এটি মখনা হাতীকে ফুকনে গুলীয়াই মাৰে আৰু তেওঁৰ কুঁহিৰাম নামৰ লগুৱাজনে মৰা হাতীটোৰ দাঁতযোৰ কাটি লৈ আহে। সেই সময়ত চিকাৰী ফুকনে গম নোপোৱাকৈ পেণ্টৰ ভিতৰত সোমাই জোকে তেজ পি আছিল। তেওঁ গম পোৱাৰ পিছত দেখে বহু সময় ধৰি তেজ বন্ধ নহয় হে নহয় । পিছত কাৰ্বি মানুহ এজনে ফটাকানি পুৰি ছাইখিনি ক্ষত স্থানত লগাই দিয়াতহে তেজ বন্ধ হয়। এই কাহিনীৰ পৰা তৰণ ৰাম ফুকনৰ অদম্য চিকাৰ প্ৰীতিৰ পৰিচয় পোৱা দেখা যায়।

## দেশভক্ত তৰুণৰাম

দেশৰ প্ৰতি থকা অপৰিসীম ভালপোৱা আৰু প্ৰকৃত দেশসেৱাৰ বাবে তৰুণ ৰাম ফুকনে 'দেশভক্ত' উপাধি লাভ কৰিছিল। এই উপাধিৰ কাৰণে তেওঁ সকলো দিশৰ পৰাই যথোপযুক্ত আছিল। ব্ৰিটিছৰ শাসনৰ পৰা ভাৰত মাতৃক মুক্ত কৰিবলৈ তেতিয়া যি আন্দোলন চলিছিল, তাত তেওঁ অক্লান্ত কৰ্মী হিচাপে খাটিছিল। গাঁৱে-ভূঞে সোমাই অসমৰ জনসাধাৰণক আন্দোলনৰ মূল উদ্দেশ্যৰ বিষয়ে সচেতন কৰি তুলিছিল। তেওঁ সহজ-সৰল বক্তৃতাৰে ৰাইজৰ মাজত দেশপ্ৰেমৰ ভাব এনেকৈ বিলাইছিল যে গাঁৱলীয়া হোজা মানুহেও ইংৰাজক খেদিবলৈ উঠি-পৰি লাগিছিল। 'তৰিলে দেশ, মৰিলে স্বৰ্গ' এয়াই আছিল তেওঁৰ দেশপ্ৰেমৰ মতবাদ। দেশৰ প্ৰতি থকা অগাধ প্ৰেমৰ বাবেই তেওঁ স্বৰাজ আন্দোলনত হাঁহিমুখে কাৰাবাস খাটিবলৈ গাত পাতি ল'বলৈ কুণ্ঠাবোধ কৰা নাছিল। দেশভক্ত ফুকনে সমাজৰ বাবেও নানা হিতকৰ কাম কৰিছিল। তেওঁ কুষ্ঠৰোগীসকলৰ বাবে গুৱাহাটীত এখন কুষ্ঠাশ্ৰম খুলিছিল। আৰু বহুদিন ধৰি সেইখন তেওঁ নিজে চোৱা-চিতা কৰিছিল। তেওঁ সামৰ্থ অনুসৰি বিপদে-আপদে দুখীয়াক দান কৰিব বিচাৰিছিল। তাৰোপৰি তেওঁ হিন্দু-মুছলমানসকলৰ মাজত এখন ঐক্য সন্মিলন পাতিব বিচাৰিছিল। মুঠতে দেশভক্ত হিচাপে তেওঁৰ অৱদান অপৰিসীম।

## তৰুণ ৰাম ফুকনৰ ব্যক্তিত্ব আৰু তেওঁৰ বাণীসমূহ

তৰুণ ৰাম ফুকনা অসাধাৰণ ব্যক্তিত্বৰ গৰাকী আছিল। তেওঁৰ অদম্য সাহস, অদম্য কৰ্মস্পৃহা, বল-বুদ্ধি, চিন্তা চেতনা, ৰসিকতা, চিন্তাচেতনা, উদাৰতা, বাকপটুতা, উপস্থিত বুদ্ধি, ধৈৰ্য, সহনশীলতা আদি গুণৰ জৰিয়তে তেওঁৰ ব্যক্তিত্ব প্ৰতিভাত হোৱা দেখা যায়। আনৰ দুখ সহ্য কৰিব নোৱাৰা তেওঁ আছিল এগৰাকী উদাৰ মানৱতাবাদী। 'পৰৰ দুখত কান্দিব পাৰিলে কান্দোনতো সুখ পায়' বুলি তেওঁ ভাবিছিল। সকলো শ্ৰেণীৰ লোকৰ সৈতে মিলিব পৰাটো এটা তেওঁৰ ডাঙৰ গুণ আছিল। তেওঁ আত্মনিৰ্ভৰশীলতাৰ লগতে আত্মবিশ্বাসী আছিল।

তৰুণ ৰাম ফুকন এগৰাকী সুবক্তাও আছিল। তেওঁৰ বক্তৃতাবোৰ আছিল ৰসাল আৰু পাণ্ডিত্যৰ চাপ থকা। কেইবাটাও ভাষা তেওঁ সলসলীয়াকৈ ক'ব পাৰিছিল। সেয়ে ইংৰাজী, হিন্দী, পাৰ্চী, বাংলা, উৰ্দু আদি ভাষাতো তেওঁ সলসলীয়াকৈ বক্তৃতা দিব পাৰিছিল। তেওঁ পণ্ডিত সমাজত তেওঁলোকৰ উপযোগী ভাষা আৰু সহজ-সৰল গাঁৱলীয়া লোকৰ মাজত গাঁৱলীয়া ভাষাৰে ভাষণ দি উপস্থিত ৰাইজৰ মন মুহিবলৈ সমৰ্থ হৈছিল। বক্তৃতা দিয়াৰ পাৰদৰ্শিতাই তেওঁক জাতীয় তথা ৰাষ্ট্ৰীয় নেতালৈ উন্নীত কৰিছিল। বাগ্মীতাই আছিল তেওঁৰ আচল পৰিচয়।

তৰুণ ৰাম ফুকনে দি যোৱা বাণীসমূহতো তেওঁৰ ব্যক্তিত্বৰ উমান পোৱা যায়। তেওঁৰ কেইটামান গুৰুত্বপূৰ্ণ বাণী হ'ল—

'নিজৰ দুখ গুচাবৰ একমাত্ৰ উপায় হ'ল পৰৰ দুখ পতিওৱা।'

'তৰিলে দেশ মৰিলে স্বৰ্গ

'দান ধৰ্মক বাদ দি বলৰ ওপৰত প্ৰতিষ্ঠিত সাম্ৰাজ্য দীৰ্ঘজীৱী হ'ব নোৱাৰে।'

'চ'তৰ শেষত বিহুৰ কথা উলিয়ালে, দুখ-ডাৱৰে ঢাকি থকা মলিন মুখতো যদি প্ৰতিপদৰ জোনৰ দৰে অকণ ধুনীয়া হাঁহি নোলায়, তেন্তে জানিবা নিশ্চয় তেওঁ অসমীয়া নহয়। অসমীয়া বোলালেও তেওঁৰ অন্তৰত অসমীয়াত্ব ভাব বা অসম প্ৰীতি নাই, তেওঁ আচলতে বহ্বো।'

'সভ্যতাৰ একত্ব সাদৃশ্যত নহয়, সাম্য আৰু সমন্বয়হে।'

'যি জাতিৰ ভাষা যিমান উন্নত আৰু মাৰ্জিত, সেই জাতিৰ ভাব আৰু আনুসংগিক কাৰ্যও সেই পৰিমিতে উন্নত আৰু পৰিমাৰ্জিত।'

'যি শিক্ষাৰ মূলত জাতীয়তা নাই, সেই শিক্ষা মনুষ্যত্বৰ পূৰ্ণ বিকাশৰ উপযোগী কেতিয়াও হ'ব নোৱাৰে।'

'নিজে শিক্ষা নাপালে পৰক শিকাব নোৱাৰি। নিজে মানুহ হৈ স্বদেশবাসীক মানুহ নামৰ উপযুক্ত কৰি তুলিব নোৱাৰাকৈ বিশ্ব মানৱ কৰাৰ চেষ্টা প্ৰায়ে কাৰ্যকৰী হোৱা দেখা নাযায়।'

'প্ৰত্যেক দেশৰ সাহিত্যৰ লগত জগতৰ সম্পৰ্ক আছে। তাৰপৰা সম্বন্ধ ছিগিলে সাহিত্য সংকীৰ্ণ হয় আৰু কালত লয় পায়। অসমীয়া সাহিত্যৰো সেইদৰে জগতৰ সাহিত্যিৰ লগত সম্বন্ধ ৰাখিব লাগিব। আন আন দেশত যি ন ন ভাৱৰ উদ্ভৱ হৈছে, তাক অসমৰ সাহিত্যলৈ আনিব লাগিব।'

'সমাজ ৰক্ষাৰ কাৰ্যবিধৰ নাম নিয়ম আৰু নীতি। 'মই'ৰ ক্ৰমবিকাশতে সমাজ আৰু সমাজৰ বিস্তাৰতে স্বদেশৰ উৎপত্তি। এই স্বদেশৰ প্ৰকাশ আৰু প্ৰচাৰতে সাহিত্যৰ আৱিৰ্ভাৱ আৰু সেই প্ৰকাশৰ ঘটনাৱলী লিপিবদ্ধ কৰাই ইতিহাস। গতিকে ইতিহাস সাহিত্যৰ এটা অংগ মাথোন।'

'যি জাতিয়ে আধ্যাত্মিক আলোচনা এৰি দি পাৰ্থিৱ সম্পদ আলোচনাতেই ব্যস্ত থাকে, সেই জাতিক আচলতে সভ্য বুলি ক'ব নোৱাৰি। শাৰিৰীক, মানসিক আৰু আধ্যাত্মিক বৃত্তিৰ উৎকৰ্ষ সাধন কৰি শৰীৰ মন আৰু আধ্যাত্মিক বৃত্তিৰ সামঞ্জস্য স্থাপন কৰাই সভ্যতাৰ উদ্দেশ্যে।'

তেওঁৰ এইবাণীসমূহ সঁচাকৈয়ে আমি কেতিয়াও পাহৰিব নোৱাৰোঁ।

## ছাত্ৰসকলৰ প্ৰতি তৰুণ ৰাম ফুকনৰ উপদেশ

দেশভক্ত তৰুণৰাম ফুকনে ছাত্ৰসকলৰ প্ৰতি কিছু বহুমূলীয়া উপদেশ দি গৈছে, যিবোৰ হীৰাৰ দৰেই মূল্যবান। তেওঁ আছিল অসীম ধৈৰ্য্যৰ গৰাকী। তেওঁ কৈছিল যে বিপদত ধৈৰ্য্য ধৰিব লাগে। ধৈৰ্য্যই জীৱনৰ উৎকৰ্ষ সাধনৰ মূলমন্ত্ৰ। নিজে ধৈৰ্য্যক ভূষণ কৰি লোৱা দেশভক্ত ফুকনে গৰিয়াল, জাতি বা দেশৰ অথন্তৰৰ সময়ত কোনো দিনে ভৱিষ্যতৰ কথা চিন্তা কৰি হাহাকাৰ কৰা নাছিল। বিপদগ্ৰস্ত আৰু আন মানুহকো তেওঁ বিপদত ধৈৰ্য্য ধৰিবলৈ শিকাইছিল। এই ধৈৰ্য্য গুণে তেওঁক অনায়াসে আন দহজনতকৈ ওপৰলৈ উন্নীত কৰিছিল। তেওঁৰ মতে, "ধৈৰ্যই জীৱন আৰু জীৱনে শান্তি।"

ছাত্ৰসকল ভৱিষ্যত দেশৰ ধৰণী ধৰোঁতা, সেয়ে ছাত্ৰসকলৰ প্ৰতি তেওঁ সদায় সহানুভূতিশীল আছিল। ১৯১৮ চনত তেজপুৰত হোৱা অসম ছাত্ৰ সন্মিলনৰ ত্ৰয়োদশ অধিবেশনত সভাপতি হিচাপে দিয়া ভাষণটো ছাত্ৰসকলৰ বাবে আৱশ্যকীয় উপদেশৰ ভঁৰাল আছিল। সেই ভাষণৰ মাজেৰে তেওঁ ছাত্ৰসকলক তিনিটা বিশেষ কথাত গুৰুত্ব দিবলৈ কৈছিল। সেইকেইটা হ'ল— চৰিত্ৰ (Character), স্বাস্থ্য (Health) আৰু শিক্ষা (Education).

স্বাস্থ্যৰ ক্ষেত্ৰত তেওঁ সদায় সচেতন আছিল। তেওঁ খাদ্য কম পৰিমাণে খাইছিল। যিখিনি খাইছিল সেইখিনি পুষ্টিদায়ক আৰু তৃপ্তিদায়ক আছিল। তেওঁ কৈছিল, 'শৰীৰং মেদং খলু ধৰ্ম সাধনম'। অৰ্থাৎ শৰীৰটো ধৰ্ম সাধনাৰ উপায়। কমকৈ খালে মানুহ শক্তিমান হয় আৰু বেছিকৈ খালে এলেহুৱা হয়। তেওঁ তেজপুৰত হোৱা ছাত্ৰ সন্মিলনৰ অধিবেশনত দিয়া ভাষণত ছাত্ৰসকলক উদ্দেশ্যি এনেদৰে কৈছিল—

'ছাত্ৰ জীৱন অতি সুখৰ আৰু মধুৰ কিন্তু অতি কঠোৰ বিধিৰ নিষেধৰ দ্বাৰা সংযত কৰি ৰাখিব লাগে। অলংকাৰ গঢ়াবৰ কাৰণে সোণ যেনেকৈ গলাই পিটি পৰিস্কাৰ আৰু কোমল কৰি ল'ব লাগে, জীৱন অলংকৃত কৰিবলৈ হ'লে সেইদৰে বিধি নিষেধাদি পূৰ্ণ কঠোৰ শাসনেৰে ছাত্ৰ জীৱন পৱিত্ৰ আৰু নম্ৰ কৰি ল'ব লাগিব। শৰীৰ আৰু মনৰ বল সঞ্চয় কৰি জীৱন যুদ্ধৰ বাবে সাজু হ'ব লাগিব ছাত্ৰ জীৱনতেই। সত্যই বিদ্যা, অবিদ্যা অৰ্থাৎ অসত্য পৰিহাৰ কৰি সত্যৰ লগত সম্বন্ধ ছাত্ৰ জীৱনতেই পাতি ল'ব লাগিব। ছাত্ৰ জীৱনতে সত্যৰ চিনাকি নাপালে সংসাৰী হৈ সত্যনিষ্ঠা হোৱা টান। বিদ্যাৰ আৱশ্যকতা মনুষ্যত্বৰ পূৰ্ণবিকাশ লাভ কৰি নিত্যা নিত্যৰ জ্ঞান লাভ কৰাৰ কাৰণে, শিক্ষাৰ আৱশ্যকতা নিজক আৰু দেশবাসীক দায়িত্বপূৰ্ণ নাগৰিক কৰি গঢ়ি তোলা। তাকে হ'বলৈ হ'লে সকলো প্ৰকাৰৰ উত্তম শিক্ষা পাব লাগিব। সামাজিক, ৰাজনৈতিক, আধ্যাত্মিক, শাৰিৰীক, মানসিক আৰু নৈতিক উৎকৰ্ষৰ সম-সাধনৰ আৱশ্যকতা বুজি উপায় উলিয়াব লাগিব। কিতাপত যি পঢ়া, গুৰুৰ পৰা যি উপদেশ পোৱা তাক উত্তমৰূপে আয়ত্ত কৰি দেশ-বিদেশৰ, অতীত-বৰ্তমানৰ কাৰ্যলৈ চাই তাৰ সত্যাসত্য গুণাগুণ মিলাই ল'ব লাগিব। বিদ্যা অৰ্থকৰী মাত্ৰ নহয়, কাৰ্যকৰী হ'ব লাগিব। কিতাপত আছে সেই দেখিয়েই সঁচা, গুৰুৱে কৈছে সেই দেখিয়েই মানিব লাগিব, এইদৰে ভবাবিধৰ ছাত্ৰ মই নাছিলো, আনকো হ'বলৈ উপদেশ দিব নোৱাৰোঁ। শ্ৰদ্ধা আৰু ভক্তিৰ দ্বাৰাই গুৰুৰ মন তুষ্ট কৰি তেওঁৰ সহায়ত জ্ঞান আৰু বুদ্ধিৰ দ্বাৰাই সত্য উপলব্ধি কৰি সেই অনুসৰি কাৰ্য কৰিব লাগিব। কু-শিক্ষা পৰিহাৰ কৰি সু-শিক্ষা ল'ব লাগিব।

এইদৰে তৰুণ ৰাম ফুকনে ছাত্ৰসকলক ছাত্ৰৰ কৰ্তব্য, শিক্ষাৰ উদ্দেশ্যে আৰু প্ৰকৃত শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে সদায়ে সতৰ্ক কৰিছিল আৰু তেওঁলোকৰ সমস্যাবিলাক সমাধান কৰিবলৈ তেওঁ আপ্ৰাণ চেষ্টা কৰিছিল।

## জীৱন নাটৰ সামৰণি

'ভাগি গ'ল বীণখনি
চিঠি গ'ল তাঁৰ
বৈ গ'ল অৱশেষ
অমিয় জোকাৰ।'

জন্মিলে মৰিবই লাগিব। ই ধ্ৰুৱ সত্য। ১৯৩৯ চনৰ ২৮ জুলাইত তৰুণ ৰাম ফুকনে গুৱাহাটীৰ ভৰলুমুখৰ নিজা ঘৰত শেষ নিশ্বাস ত্যাগ কৰে। কেইদিনমান সামান্য জ্বৰ নৰিয়াত পৰিয়েই তেওঁ ৬৩ বছৰ বয়সত এই সংসাৰৰ পৰা চিৰ বিদায় মাগিলে। এৰি থৈ গ'ল মাথোন তেওঁৰ যশ, নাম আৰু অসাধাৰণ কৃতিত্বৰ চানেকি। তেওঁৰ ব্যক্তিত্ব, বহুমুখী প্ৰতিভা আৰু দেশমাতৃৰ প্ৰতি থকা অগাধ শ্ৰদ্ধাই তেওঁক সৰ্বকালৰ এগৰাকী অসাধাৰণ নেতাৰ শাৰীলৈ লৈ গৈ আমাক সঁচাকৈয়ে গৰ্বিত কৰিছে। সাহিত্য, ৰাজনীতি, চিকাৰ, ওকালতি এই সকলো দিশতে তেওঁৰ বিশেষত্ব ফুটি উঠিছিল। এনে উদাহৰণ খুব কমেই পোৱা যায়।

ফুকনৰ সাহিত্যৰ প্ৰকৃত মূল্যায়ন হ'লে, তেওঁৰ বাগ্মীতাক আৰ্হি হিচাপে ল'ব পাৰিলে, তেওঁৰ ত্যাগ আৰু ৰসিকতাক জীৱনৰ মূলমন্ত্ৰ হিচাপে গ্ৰহণ কৰিব পাৰিলে ফুকন আমাৰ মাজতে জীয়াই থাকিব আৰু নৱপ্ৰজন্মই অসমীয়া আৰু অসমৰ অস্তিত্বক জীয়াই ৰাখিবলৈ সমৰ্থ হ'ব।

তৰুণ ৰাম ফুকনৰ দৰে চিৰ নমস্য তথা চিৰ বৰেণ্য ব্যক্তি এগৰাকীক আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। তেওঁ আমাৰ মাজত সদায় উজ্বল ভোটা তৰাৰ দৰে জিলিকি থাকিব।◆◆

— xxx —